জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৭৮/২০২১

# ১৪ টা অক্সিজেন জেনেৰেটৰ জনসাধাৰণৰ সেৱাত আনুষ্ঠানিকভাৱে উৎসৰ্গিত কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৭ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এক অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে ৰাজ্যখনৰ ১৪ খন হাস্পতালত স্থাপন কৰা ১৪ টা অক্সিজেন জেনেৰেটৰ জনসাধাৰণৰ সেৱাত আনুষ্ঠানিকভাৱে উৎসৰ্গিত কৰে।

উল্লেখ্য যে ৰাজ্যখনে পি এম কেয়াৰ্চ ফাণ্ডৰ পৰা ৪০ টা অক্সিজেন জেনেৰেটৰ দান হিচাপে লাভ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি ইয়াৰে প্ৰতিদিনে ১৫.৭১ মেট্ৰিকটন উৎপাদনৰ সামৰ্থতা থকা ১৪ টা অক্সিজেন জেনেৰেটৰ আনুষ্ঠানিকভাৱে জনসাধাণৰ সেৱাৰ বাবে উৎসৰ্গিত কৰে।প্ৰতিদিনে ৪৭.৬৯ মেট্ৰিকটন অক্সিজেন উৎপাদনৰ সামৰ্থতা থকা আন ২৬ টা জেনেৰেটৰ অলপতে আনুষ্ঠানিকভাৱে জনসাধাৰণৰ সেৱাত উৎসৰ্গিত কৰা হ'ব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্ম দিনৰ দিনাখন ১৪ টা পি এছ এ অক্সিজেন জেনেৰেটৰৰ সেৱা জনসাধাৰণলৈ উৎসৰ্গিত কৰিবলৈ পাই তেখেত যথেষ্ট সুখী। এই জেনেৰেটৰ প্লেন সমূহে ৰাজ্যখনৰ স্বাস্থ্য সেৱা খণ্ডৰ সামৰ্থতা বৃদ্ধিৰ দিশত বিশেষভাৱে অৰিহণা যোগাব আৰু ৰোগীসকলৰ জটিল সময়ৰ চিকিৎসাত বিশেষভাৱে সকাহ প্ৰদান কৰিব।এই অক্সিজেন জেনেৰেটৰ সমূহ ৰাজ্যখনলৈ প্ৰদান কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক মুখ্যমন্ত্ৰীয়ে বিশেষভাৱে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। ইয়ে ৰাজ্যখনক অক্সিজেন উৎপাদনৰ দিশত স্বাৱলম্বী কৰি তোলাৰ উপৰি জটিল সময়ত চুবুৰীয়া ৰাজ্যসমূহলৈ মেডিকেল অক্সিজেন যোগান ধৰাৰ দিশটো বিশেষভাৱে সহায় কৰিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই অক্সিজেন জেনেৰেটৰৰ উপৰি ৰাজ্য চৰকাৰেও ইয়াৰ অক্সিজেন সঞ্চয়ৰ সামৰ্থতা ৩৪২ মেট্ৰিকটনলৈ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। ক'ভিডৰ সম্ভাব্য তৃতীয় জোৱাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে অক্সিজেনৰ পৰ্যাপ্ততাৰ দিশত অসমে এতিয়া এক উন্নত স্থানত আছে বুলিও তেওঁ কয়। আনহাতে, ক'ভিড টিকাকৰণৰ দিশতো অসমে ভাল ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। এতিয়ালৈকে ৰাজ্যখনৰ যোগ্য ৭৫ শতাংশ জনসাধাৰণে ক'ভিডৰ টিকা লাভ কৰিছে। ইয়াৰে ২০ শতাংশই ক'ভিডৰ দ্বিতীয় পালি টিকাও লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজ্যখনৰ স্বাস্থ্য আন্তঃগাঁথনি উন্নীতকৰণ তথা মানৱ সম্পদৰ প্ৰশিক্ষণেৰে বাকী থকা জনসাধাৰণকো টিকাকৰণৰ আওঁতালৈ অতি সোনকালে আনিবলৈ সক্ষম হ'ব বুলিও তেওঁ কয়। এই অক্সিজেন জেনেৰেটৰ জনসাধাৰণৰ সেৱাত মুকলি কৰাৰ দিশত যোগোৱা অৰিহণাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, লোক নিৰ্মাণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ বিভাগক ধন্যবাদ জ্ঞাপন কৰে।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

আজি মুখ্যমন্ত্ৰীয়ে ভাৰ্চুৱেলি সেৱা আৰম্ভ কৰা ১৪ টা অক্সিজেন জেনেৰেটৰ প্লাণ্টসমূহ ক্ৰমে বৰপেটাস্থিত ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল, গোৱালপাৰা অসামৰিক চিকিৎসালয়, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল, গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়, বোকাখাতৰ মহকুমা অসামৰিক চিকিৎসালয়, নগাঁওৰ ভোগেশ্বীৰ ফুকননী অসামৰিক চিকিৎসালয়, শিৱসাগৰ অসামৰিক চিকিৎসালয়, শিঙিমাৰী আদৰ্শ চিকিৎসালয়, কোকৰাঝাৰৰ আৰ এন বি অসামৰিক চিকিৎসালয়, তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল, তিনিচুকীয়া অসামৰিক চিকিৎসালয়, সোণাৰী অসামৰিক চিকিৎসালয়, হাইলাকান্দিৰ এছ কে ৰয় অসামৰিক চিকিৎসালয় আৰু কালাপাহাৰ ক'ভিড হাস্পতালত স্থাপন কৰা হৈছে।

আজিৰ এই অনুষ্ঠানত স্বাস্থ্য শিক্ষাৰ সঞ্চালক ডাঃ অনুপ বৰ্মন, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অভিযান সঞ্চালক ডাঃ এছ লক্ষ্মনন, লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ আয়ুক্ত আৰু বিশেষ সচিব ৰাজ চক্ৰৱৰ্তীৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**১৭-০৯-২০২১**